**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

**Headlines**

১। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া অব্যাহত। এই পৰ্যায়ত অসমৰ ৫টা সমষ্টিত হ'ব ভোটগ্ৰহণ।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যিক বিজেপিৰ শীৰ্ষ নেতৃত্বৰ সৈতে বিশেষ বৈঠক। কংগ্ৰেছকে ধৰি আন আন বিৰোধী দলৰো শীৰ্ষ নেতৃত্বৰ অসম ভ্ৰমণৰ পৰিকল্পনা।

৩। অসমত কৰ্কট চিকিৎসাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক কেন্দ্ৰীয় চৰকাৰৰ শলাগ। দেশৰ আন আন ৰাজ্যসমূহতো এই আৰ্হি অনুসৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ।

৪। ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এব্‌ডেনৰ যুটিটো মায়ামী অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ এখন খেলত ৰাজস্থান ৰয়েলছৰ ডেলহি কেপিটেলছক ১২ ৰানত পৰাস্ত। অসম সন্তান ৰিয়ান পৰাগক প্লেয়াৰ অব দ্যা মেছ ঘোষণা।

০০০০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কালি অধিসূচনা জাৰি কৰা হয়। এই পৰ্যায়ত অসমৰ ৫টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ২৬ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া এই সমষ্টিসমূহৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ৪ এপ্ৰিল ধাৰ্য কৰা হৈছে। প্ৰাৰ্থীসকলৰ মনোনয় প্ৰত্যাহাৰৰ অন্তিম দিন ৮ এপ্ৰিল।

দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০টা, কৰ্ণাটকৰ ১৪টা, ৰাজস্থানৰ ১৩টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, বিহাৰৰ ৫টা, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি ল'বলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হ'ব।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচন আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কালি সন্ধিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ৰাজ্যিক বিজেপিৰ শীৰ্ষ বিষয়ববীয়াসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত

হয়। মহানগৰীৰ বশিষ্ঠস্থিত অটল বিহাৰী বাজপেয়ী ভৱনত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা, গুৱাহাটীৰ সাংসদ কুইন ওজাকে ধৰি কেইবাগৰাকীও শীৰ্ষ পৰ্যায়ৰ নেতা এই বৈঠকত উপস্থিত থাকে। উল্লেখযোগ্য যে, অহা ৫ এপ্ৰিলত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। সেইদিনা নিশাটো তেওঁ ডিব্ৰুগড়ত কটোৱাৰ পিছতে ৬ এপ্ৰিলত লখিমপুৰ আৰু হোজাইত দুখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত জনোৱা মতে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও অসমলৈ অহাৰ কথা আছে যদিও এই পৰ্যন্ত তেওঁৰ কাৰ্যসূচী নিৰ্দিষ্ট হোৱা নাই। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এই সকলোবোৰ প্ৰচাৰ অভিযানৰ ৰণকৌশল প্ৰস্তুত কৰাৰ সন্দৰ্ভতে দলৰ শীৰ্ষ নেতৃত্বৰ সৈতে তেওঁ আলোচনাত মিলিত হয়।

ইপিনে, নিখিল ভাৰত তৃণমূল কংগ্ৰেছে অসমৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিছে। এই উপলক্ষে তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, অভিষেক বেনাৰ্জী, ডেৰক অ' ব্ৰাইন, ৰিপুণ বৰাকে ধৰি কেইবাগৰাকীও শীৰ্ষ পৰ্যায়ৰ নেতাই প্ৰচাৰৰ বাবে অসমলৈ আহিব। ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰো কেইবাগৰাকীও শীৰ্ষ পৰ্যায়ৰ নেতাই অসমলৈ অহাৰ কথা।

০০০০০০০

অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ পৰীক্ষাৰ অন্তত কালি ৩৬ খন মনোনয়ন বৈধ বিবেচিত হৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। ইয়াৰে শোণিতপুৰৰ আৰু কাজিৰঙা সমষ্টিৰপৰা দাখিল কৰা এখনকৈ মনোনয়ন নাকচ কৰা হয়। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে এই বিষয়ে প্ৰকাশ কৰিছে। কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

ৰাজ্যৰ প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত হ'বলগীয়া লোকসভা নিৰ্বাচনত কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট এই ৫টা সমষ্টিক সামৰি লোৱা হ'ব। এই নিৰ্বাচনত বিজেপিৰ হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে কালি কৰিমগঞ্জৰ জিলা আয়ুক্ত আৰু ৰিটাৰ্নিং বিষয়াৰ কৰ্যালয়ত এটা ডাক বেলতপেপাৰ কোষ আৰু সুবিধা কেন্দ্ৰ মুকলি কৰা হৈছে। ডাক বেলতৰ জৰিয়তে ভোটদান কৰিব বিচৰা ভোটাৰসকলে এই কেন্দ্ৰৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। উল্লেখযোগ্য যে ডাক যোগে ভোটদান কৰিবৰ বাবে সকলো ভোটাৰে 12 D নম্বৰৰ এখন বিশেষ পপত্ৰ পূৰণ কৰিব লাগিব। পপত্ৰ পূৰণ কৰি ভোটাৰসকলে নিৰ্বাচনৰ নিৰ্দিষ্ট তাৰিখৰ সাত দিনৰ আগলৈকে সেই বেলত পেপাৰ নিৰ্দিষ্ট কেন্দ্ৰটোত জমা দিব পাৰিব।

০০০০০০০০

সমাগত লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ জয় নিশ্চিত কৰাৰ উদ্দেশ্যে কালি সন্ধিয়া বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত গণশক্তি পাৰ্টীৰ সৈতে বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা এখন বিশেষ বৈঠকত মিলিত হয়। এই বৈঠকত গণশক্তি পাৰ্টীৰ ৰাজ্যিক নেতৃত্বৰ লগতে দলটোৰ ভগ্নি সংগঠনটোৰো

প্ৰতিনিধি উপস্থিত থাকে। বৈঠকৰ অন্তত সাংবাদিকেৰে হোৱা কথাবতৰাত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কয় যে, নিৰ্বাচনত দলটোৱে বিজেপিক কেনেদৰে সহযোগিতা আগবঢ়াব সেই সন্দৰ্ভত ৰণকৌশল প্ৰস্তুত কৰা হয়। প্ৰথম পৰ্যায়ৰ ৫টা সমষ্টিতে বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হ'ব বুলিও ভৱেশ কলিতাই উল্লেখ কৰে।

oooooooo

অসমত কৰ্কট চিকিৎসাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক কেন্দ্ৰীয় চৰকাৰে শলাগ লৈছে। কৰ্কট ৰোগৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে আৰম্ভ কৰা সুনিৰ্দিষ্ট পৰিকল্পনাক অনুসৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে দেশৰ আন ৰাজ্যসমূহক আহ্বান জনাইছে। কেন্দ্ৰীয় চৰকাৰৰ জ্যেষ্ঠ অৰ্থনৈতিক উপদেষ্টা ইন্দ্ৰাণী কৌশলে ৰাজ্যসমূহৰ স্বাস্থ্য বিভাগলৈ এই সন্দৰ্ভত এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত শ্ৰীকৌশলে অসম চৰকাৰে তিনিটা পৰ্যায়ত কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে গ্ৰহণ কৰা সুনিৰ্দিষ্ট পৰিকল্পনা কিদৰে ৰূপায়ণ কৰা হৈছে সেই কথা উল্লেখ কৰি অন্যান্য ৰাজ্যসমূহতো যাতে এই আৰ্হি অনুসৰণ কৰা হয় তাৰ বাবে আহ্বান জনায়।

oooooooo

বৰ অসমৰ প্ৰতিষ্ঠাপক চাওলুং চ্যুকাফাকে ধৰি আন আন স্বৰ্গদেউসকলৰ প্ৰতি শ্ৰদ্ধা জনাই আজিৰে পৰা ঐতিহাসিক চৰাইদেউ মৈদামথলীত দুদিনীয়াকৈ স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হৈছে। ১৯৫২ চনৰ পৰা উদযাপন কৰি অহা এই স্মৃতি তৰ্পণ অনুষ্ঠানত পূৰ্বপুৰুষৰ পৰা জাতিৰ উন্নতি কামনা কৰি ৪২খন শৰাই আগবঢ়াই আশীষ বিচৰা হয়। এইবছৰ ৭২ সংখ্যক স্মৃতি তৰ্পণ অনুষ্ঠানত আজি প্ৰথমদিনা পুৱা লাংকুৰি দেওশালত চোম দেওলৈ পায়স অৰ্পণ, বন্তি প্ৰজ্বলন কৰাৰ লগতে নিশালৈ নাম-কীৰ্তন পৰিৱেশন কৰা হ'ব। দ্বিতীয় দিনা পুৱা পতাকা উত্তোলন, বান্-ফী পূজা আৰু ৪২ খন শৰাই অৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

oooooooo

ইন ভিট্ৰো ফাৰ্টিলাইজেছন চমুকৈ আই ভি এফ পদ্ধতিৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত প্ৰথমটো শিশুৰ জন্ম হৈছে। এইটো হৈছে অসম তথা উত্তৰ-পূব ভাৰতৰ চৰকাৰী চিকিৎসালয় সমূহৰ ভিতৰত আই ভি এফ পদ্ধতিৰে শিশু জন্ম দিয়া প্ৰথম ঘটনা। এই সন্দৰ্ভত কালি এখন সংবাদমেল সম্বোধন কৰি জি এম চি এইচৰ অধ্যক্ষ অচ্যুৎ বৈশ্যই কয় যে, ২০২২ চনতে জি এম চি এইচত ইন ভিট্ৰো ফাৰ্টিলিটি ক্লিনিক আৰম্ভ হৈছিল। বেচৰকাৰী চিকিৎসালয়সমূহত আই ভি এফ প্ৰক্ৰিয়া যথেষ্ট ব্যয়বহুল হোৱাৰ পৰিপ্ৰেক্ষিতত জি এম চি এইচত কম খৰচতে এই প্ৰক্ৰিয়াৰ জৰিয়তে সন্তান জন্ম দিয়াৰ চেষ্টা কৰা হৈছে। তেওঁ জনোৱা মতে মাথো ৭০ হাজাৰ টকাতে এতিয়াৰ পৰা জি এম চি এইচত আই ভি এফৰ জৰিয়তে সন্তান জন্ম দিব পাৰিব। চিকিৎসালয়খনত সম্প্ৰতি ৪৪ গৰাকী মহিলাৰ আই ভি এফৰ জৰিয়তে চিকিৎসা চলি আছে। ইয়াৰ ভিতৰত ৫ গৰাকী মহিলাই গৰ্ভধাৰণ কৰিছে।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ ৮খন জিলাত আৰু অৰুণাচল প্ৰদেশৰ ৩খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰিছে। ১ এপ্ৰিলৰ পৰা ছমাহলৈ অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰা নাগালেণ্ডৰ ৮খন জিলাৰ ২১খন থানাৰ অন্তৰ্গত অঞ্চলসমূহৰ লগতে অৰুণাচল প্ৰদেশৰ ৩ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহ আইনখনৰ আওতাত থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ পৰা এখন জাননীযোগে কোৱা হৈছে যে নাগালেণ্ডৰ ডিমাপুৰ, নিউলেণ্ড, চুমৌকেডিমা, মন, কিফিৰে, নকলাক, ফেক আৰু পেৰেন

জিলা তথা আন ৫ খন জিলাৰ ২১ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহত ছমাহৰ বাবে বিক্ষিপ্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে।

oooooooooo

অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বাবে সংঘটিত হোৱা ডাইনী হত্যাকে ধৰি আন আন অমানৱীয় কাৰ্যকলাপ ৰোধ কৰাৰ উদ্দেশ্যে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ পৰিৱেশ আৰু জলবায়ু কোষে সময়ে সময়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই পদক্ষেপৰ অংশ হিচাপে কালি শিৱসাগৰ নগৰত মহাবিদ্যালয়খনৰ ছাত্ৰীসকলে অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ সহযোগত এলানি বাটৰ নাট পৰিৱেশন কৰে। মহাবিদ্যালয়খনৰ ২০ গৰাকী ছাত্ৰীৰ এটা দলে কালি বিভিন্ন স্থানত **অন্ধকোপ প্ৰতিহত আলোক** শীৰ্ষক নাটখন পৰিৱেশন কৰে।

oooooooooo

থলুৱা শিপিনীৰ দ্বাৰা উৎপাদিত গামোচাৰ প্ৰসাৰৰ প্ৰতি লক্ষ্য ৰাখি হস্ততাঁত বস্ত্ৰ শিল্প বিভাগৰ উদ্যোগত গোলাঘাট জিলাৰ বোকাখাটত গামোচা মেলা অনুষ্ঠিত হৈছে। জিলাখনৰ ১৬ হাজাৰ শিপিনীয়ে এই মেলাৰ বাবে হস্ততাঁত বস্ত্ৰ শিল্প বিভাগত পঞ্জীয়ন কৰিছিল। গামোচা মেলাৰ জৰিয়তে জিলাখনৰ ভিন্ন স্থানত বিপণীকেন্দ্ৰ স্থাপন কৰি এই শিপিনীসকলে বোৱা গামোচা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

oooooooooo

যোৰহাট জিলাৰ মীন উন্নয়ন বিষয়াই জিলাখনত অহা ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ অসম মীন আইনৰ আধাৰত মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। মাছৰ উৎপাদন বৃদ্ধি আৰু প্ৰজননৰ এই সময়ছোৱাত জধে মধে মাছ ধৰা, আঁঠুৱা জাল, ফাঁচী জাল আৰু অন্য যিকোনো জালৰ ব্যৱহাৰৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছে। এই আইন ভংগকাৰীসকলৰ বিৰুদ্ধে বিধি অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মীন উন্নয়ন বিষয়াগৰাকীয়ে জানিবলৈ দিছে।

oooooooooo

সাহিত্য জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে প্ৰথিতযশা সাহিত্য একাডেমী বঁটা প্ৰাপক ড০ নগেন শইকীয়ালৈ কলকাতাৰ কাউন্সিল অব এছিয়াটিক ছ'চাইটিয়ে প্ৰফেছাৰ সুকুমাৰ সেন স্মাৰক সোণৰ পদক আগবঢ়োৱা হ'ব। ড০ শইকীয়াক অহা ৬ মে'ত কলকাতাৰ পাৰ্কষ্ট্ৰিত অৱস্থিত বিদ্যাসাগৰ ভৱনত এই সন্মান প্ৰদান কৰা হ'ব। বিশিষ্ট ভাষাবিজ্ঞানী তথা সংস্কৃত পণ্ডিত প্ৰফেচাৰ সেনৰ সোঁৱৰণত এছিয়াটিক ছ'চাইটিয়ে দেশৰ বিশিষ্ট পণ্ডিতসকললৈ এই সন্মান আগবঢ়াই আহিছে।

oooooooooo

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এব্‌ডেনৰ যুটিটো মায়ামী অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। বোপন্না আৰু এবডেনৰ যুটিটোৱে কালি ছেমি ফাইনেলত স্পেইনৰ মাৰ্চেল গ্ৰেণোলৰ্ছ আৰু আৰ্জেণ্টিনাৰ হোৰেচিয়ো জেবালোছৰ যুটিটোক ৬-১, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰে। বোপন্না আৰু এবডেনৰ যুটিটো কাইলৈ ফাইনেলত আমেৰিকাৰ আষ্টিন ক্ৰাজিছেক আৰু ক্ৰ'ৱেছিয়াৰ ইভান ড'ডিকৰ সন্মুখীন হ'ব। এয়া হ'ব ৰোহন বোপন্নাৰ নিজৰ খেলুৱৈ জীৱনৰ চতুৰ্দশ এটিপি মাষ্টাৰ্ছ থাউজেণ্ড প্ৰতিযোগিতাৰ ফাইনেল। খেলুৱৈগৰাকীয়ে বৰ্তমানলৈকে ডাবলছৰ ২৫টাকৈ খিতাপ অৰ্জন কৰিছে।

ছেমি ফাইনেলত লাভ কৰা জয়ৰ সুবাদত ৪৪ বছৰীয়া বোপন্নাই এটিপিৰ ডাবলছৰ বাছনি তালিকাত পুনৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

০০০০০০০০০

আই পি এল প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্চৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ৰাজস্থান ৰয়েলছে যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দেলহি কেপিটেলছক ১২ ৰানত পৰাস্ত কৰে। খেলখনত ৰাজস্থানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ উইকেটৰ বিনিময়ত ১৮৫ ৰান কৰে। ৰাজস্থানৰ হৈ অসম সন্তান ৰিয়ান পৰাগে মাত্ৰ ৪৫টা বলত ৮৪ ৰান কৰি অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে ২০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ১৭৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰিয়ান পৰাগক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০০০

NEWS PAPER REVEW (29-3-2024)

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত দৈনিক বাতৰিসমূহে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে এনৰেগাত নিয়োজিত অসমৰ শ্ৰমিকৰ মজুৰি মাত্ৰ ১১ টকা বৃদ্ধি কৰি ২৪৯ টকা নিৰ্ধাৰণ কৰাৰ সন্দৰ্ভত এটা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক অসমীয়া প্ৰতিদিন কাকতে অন্য ৰাজ্যত মজুৰিৰ হাৰ বৃদ্ধি হোৱাৰ বিপৰীতে অসমত এই হাৰ মাত্ৰ ৩.৯৩% বুলি প্ৰকাশ কৰিছে।দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰীয়ালৰ ইদিৰ জিম্মাৰ ম্যাদ এক এপ্ৰিললৈ বৃদ্ধি কৰাৰ লগতে কেজৰীয়ালক মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰণ বিচাৰি কৰা আৱেদন দিল্লী উষ্চ ন্যায়ালয়ে খাৰিজ কৰাৰ সন্দৰ্ভত আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী সূৰ্য্য ঘৰ আঁচনিৰ অধীনত অসমত ১৫,০০০ গৃহত সৌৰ পেনেল প্ৰতিষ্ঠা কৰা হব বুলি The Sentinel কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰত আৰু চীনৰ শেহতীয়াকৈ বেইজিঙত সম্পন্ন হোৱা কূটনৈতিক আলোচনাৰ বাতৰি The Assam Tribune আৰু The Sentinel কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে । কাৰ বিৰূদ্ধে ছুপ্ৰিম কোৰ্টত অসম গণ পৰিষদ দলে ৰুজু কৰা গোচৰৰ শুনানি অহা ৯ এপ্ৰিলত অনুষ্ঠিত হব বুলি আমাৰ অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইতিহাসপ্ৰসিদ্ধ ভোগদৈ নদীৰ দুয়োপাৰে কলা বেপাৰীয়ে ব্যাপক খনন কাৰ্য কৰি অবাধ চিন্দিকেত অব্যাহত ৰখাৰ সন্দৰ্ভত দৈনিক জনমভূমি কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে । চেবাৰ সদ্য প্ৰকাশিত শৈক্ষিক

দিনপঞ্জিত মুঠ কৰ্মদিন ২৫৪, বন্ধ ১১১ দিন থকা বুলি দৈনিক অসম , অসমীয়া খবৰ আৰু নিয়মীয়া বাৰ্তা কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আইছিছৰ সৈতে জৰিত থকাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা টোচিফ আলি ফাৰুকী নামৰ লোকজনক আইছিছে ৬ ছফটৱেৰেৰে প্ৰশিক্ষণ দিছিল বুলি আৰক্ষীৰ অনুসন্ধানত প্ৰকাশ পোৱাৰ বাতৰি আজি প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিয়া পৰিলক্ষিত হৈছে
আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে
অন্ত পৰিব টোলগেট ব্যবস্থা শীঘ্ৰে বলবৎ হব ছেতেলাইত আধাৰিত টোল সংগ্ৰহ , মেঘালয়ত কা বিৰোধী আন্দোলনৰ পাছতে দুখাইত দুজনৰ মৃতদেহ উদ্ধাৰ,অসম কন্যা আৰু হাৰিয়ানাৰ জেষ্ঠ্য কংগ্ৰেছ নেত্ৰী সাৱিত্ৰী জিন্দালৰ কংগ্ৰেছ ত্যাগ , অজাপ শূণ্য হল গুৱাহাটী পৌৰ নিগম হল গুৱাহাটী পৌৰ নিগম , বেচৰকাৰী খগুক গতাব আয়ুৰ্বেদিক প্ৰদাক্তচক , বিজ্ঞানসন্মত জল নিৰ্গমনৰ মাষ্টাৰপ্লেন চলিত বছৰতে Court extennds AFSPA in Nagaland, Arunachal Pradesh for 6 months, Government open to change in Agniveer scheme if needed, ইত্যাদি।
এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০০

**সমাপ্ত**